# বিদ্যালয়ৰ বিশেষ প্ৰয়োজন সম্পন্ন শিশুসকলৰ (CWSN) বাবে মূল্যায়নৰ কৌশল

মূল্যায়ন হৈছে শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এক অবিচ্ছেদ্য অংগ। মূল্যায়ন এনে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক, সামাজিক, আবেগিক, সৃষ্টিশীল কলা সুলভ আদি দিশৰ অগ্ৰগতিৰ বিষয়ে জানিব পাৰি।

মূল্যায়নে ছাত্ৰ-ছাত্ৰীৰ কেৱল বৌদ্ধিক দিশৰ অগ্ৰগতিকে ৰূপায়ণ নকৰে। ই কাৰিকুলাম, পাঠ্যপুথি, বিভিন্ন শিকন প্ৰক্ৰিয়া, বিদ্যায়তনিক আৰু সহ-বিদ্যায়তনিক দিশৰ বিকাশৰ উপৰিও পাঠদানৰ সফলতা, প্ৰধান শিক্ষকৰ প্ৰশাসনীয়তা নিপুণতা, বিদ্যালয়ে যুগুতাব পৰা সা-সুবিধাৰ সফলতা-বিফলতাৰ স্বৰূপো দাঙি ধৰে।

অবিৰত আৰু সামগ্ৰিক মূল্যায়ন (CCE) হৈছে এক বিদ্যালয়ভিত্তিক মূল্যায়ন যি ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ সকলো দিশ সামৰি লয়। অবিৰত মূল্যায়নৰ উদ্দেশ্য হৈছে অবিৰতভাৱে অৰ্থাৎ নিৰবিচ্ছিন্নভাৱে মূল্যায়ন কৰি যোৱা আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ প্ৰতিটো দিশৰ মান নিৰ্ণয় কৰা। অবিৰত মূল্যায়নে নিৰ্দ্দিষ্ট সময়ত যেনে- বছৰেকীয়া বা ছমহীয়া পৰীক্ষাৰ মূল্যায়ন কৰাটো কেৱল নুবুজায়। বৰং ই নিৰবিচ্ছিন্নভাৱে শিশুৰ বিকাশৰ খতিয়ান দাঙি ধৰে। সামগ্ৰিক মূল্যায়নে বিদ্যায়তনিক আৰু সহবিদ্যায়তনিক দুয়োটা দিশৰ বিকাশৰ মূল্যায়ন কৰাটো বুজায়। কিন্তু মূল্যায়নৰ এইখিনি ব্যৱস্থা প্ৰযোজ্য হয় সাধাৰণ শিশুৰ ক্ষেত্ৰত। বিশেষ প্ৰয়োজন সম্পন্ন শিশুসকলৰ বাবে উল্লিখিত ব্যৱস্থাসমূহ কিছু শিথিল হোৱাটো প্ৰয়োজনীয়।

বিশেষ প্ৰয়োজনসম্পন্ন শিশুৰ মূল্যায়নৰ ক্ষেত্ৰত ল'বলগীয়া কিছুমান নিৰ্দেশনা তলত উল্লেখ কৰা হ'ল। শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজৰ নিজৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনবোধে নিৰ্দেশাৱলীসমূহ সুবিধা অনুযায়ী গ্ৰহণ কৰিলে, এনে শিশুসকল যথেষ্ট পৰিমাণে উপকৃত হ'ব। এই নিৰ্দেশনাসমূহ—

- প্ৰয়োজন অনুসৰি এইসকল ছাত্ৰ-ছাত্ৰীক অতিৰিক্ত সময় দিব পাৰে। অৱসাদ দূৰ কৰাৰ বাবে এই সময়খিনিৰ ভিতৰতে জিৰণিৰ অনুমতি দিব পাৰে।
- ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত প্ৰয়োজন অনুসৰি বিভিন্ন সঁজুলি ব্যৱহাৰ কৰিবলৈ দিব পাৰে। উদাহৰণ স্বৰূপে— কেলকুলেটৰ, এবেকাচ, টেইলৰ ফ্ৰেইমৰ যোগাযোগ ব'ৰ্ড, হেলনীয়া ব'ৰ্ড, টেপ ৰেকৰ্ডাৰ, পেইন গ্ৰিপচ্ ইত্যাদি।
- এনে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেৰিকুলামখন নমনীয় হোৱা উচিত। উদাহৰণ হিচাবে- ধীৰ গতিত শিকা ছাত্ৰ বা ছাত্ৰীৰ বাবে কেৰিকুলামৰ বিষয়বস্তুসমূহ সৰু সৰু ভাগত ভগাই লৈ শিকনৰ সামৰ্থ অনুযায়ী মূল্যায়ন কৰিব পাৰে।
- ভাষা আহৰণৰ অসুবিধা থকা ছাত্ৰ-ছাত্ৰী (difficulties in language acquisition) সকলৰ বাবে মূল্যায়নৰ পদ্ধতি ৰচনাভিত্তিক (Essay type question) হোৱাৰ পৰিৱৰ্তে বস্তুনিষ্ঠ (objective type question) হোৱা উচিত। প্ৰশ্নসমূহৰ ভাষা সহজ-সৰল হোৱাটো নিতান্তই প্ৰয়োজনীয়।
- ছাত্ৰ-ছাত্ৰীসকলক প্ৰশ্ন উত্তৰ লিখিতভাৱে কৰিবলৈ দিয়াৰ পৰিৱৰ্তে মৌখিকভাৱে বা Communication Board ৰ দ্বাৰা লোৱাৰ ব্যৱস্থা কৰিব পাৰি। প্ৰয়োজন সাপেক্ষে প্ৰশ্নৰ উত্তৰ লিখাৰ বাবে এজন সহায়ক লোৱাৰো সুবিধা কৰি দিব পাৰি।
- প্ৰয়োজন সাপেক্ষে ছাত্ৰ-ছাত্ৰীসকলক প্ৰশ্নাৱলীসমূহৰ লগতে নিৰ্দেশাৱলীসমূহো পঢ়ি শুনাব লাগে।
- দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুসৰি ব্ৰেইল (Braille) পাঠ্যপুথি আৰু কম দৃষ্টিসম্পন্ন শিশুৰ বাবে ডাঙৰ আখৰেৰে লিখা পাঠ্যপুথিৰ ব্যৱস্থা কৰিব লাগে।
- প্ৰয়োজন অনুসৰি ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা হোৱাকৈ বহাৰ ব্যৱস্থা কৰিব লাগে। যেনে- বিশেষভাৱে প্ৰস্তুত কৰা চকী, মেজ, সুকীয়া কোঠালি ইত্যাদি।
- ভাষা আহৰণত অসুবিধা থকা ছাত্ৰ-ছাত্ৰীসকলক ত্ৰি-ভাষা (3 Language Formula) সূত্ৰৰ পৰা ৰেহাই দিয়া প্ৰয়োজন। প্ৰয়োজন সাপেক্ষে তেওঁলোকক সাংকেতিক ভাষা (Sign Language) শিকোৱাৰ ব্যৱস্থা কৰিব লাগে।

- ➲ চিকিৎসাধীন শিশুৰ মূল্যায়নৰ ক্ষেত্ৰত সময়ৰ সাল সলনি কৰি, তেওঁলোকৰ সুবিধা অনুসৰি অনুস্থিত কৰিব লাগে।

**বাধাগ্ৰস্ততা অনুসৰি মূল্যায়নৰ কৌশল-**

**দৃষ্টিশক্তিৰ অসুবিধা থকা ছাত্ৰ ছাত্ৰীসকলৰ বাবে ঃ** (For Children with Seeing Problems)

দৃষ্টিশক্তিৰ অসুবিধা থকা ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষা/মূল্যায়নৰ ক্ষেত্ৰত সাধাৰণভাৱে ব্যৱহাৰ কৰা পদ্ধতিসমূহ হ'ল—

- ➲ প্ৰশ্নকাকতসমূহ প্ৰয়োজন অনুসৰি ব্ৰেইল/ডাঙৰ ছপা হ'ব লাগে।
- ➲ ব্ৰেইল/ডাঙৰ আখৰ/কম্পিউটাৰ সহায়ত উত্তৰ দিয়াৰ সুবিধা দিব লাগে।
- ➲ এই ক্ষেত্ৰত প্ৰশ্নসমূহ সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰস্তুত কৰা প্ৰশ্নৰ দৰে একে হ'ব মাত্ৰ ইয়াক ব্ৰেইল বা ডাঙৰ আখৰত ৰূপান্তৰ কৰিব লাগে।
- ➲ শিশুসকলক সুবিধা অনুসৰি কম্পিউটাৰত তেওঁলোকৰ প্ৰশ্নোত্তৰ লিখাৰ অনুমতি দিব লাগে।
- ➲ ব্ৰেইল পদ্ধতিত লিখা শিশুসকলক প্ৰয়োজন সাপেক্ষে অতিৰিক্ত সময় দিব লাগে। এনে ছাত্ৰ-ছাত্ৰীসকলক অন্য ছাত্ৰ-ছাত্ৰীসকলৰ তুলনাত কম প্ৰশ্ন লিখিবলৈও দিব পাৰে।
- ➲ বেছি সময় ব্ৰেইলত লিখিবলগীয়া হ'লে অৱসাদ দূৰ কৰিবৰ বাবে তেনে ছাত্ৰ-ছাত্ৰীসকলক মাজে মাজে জিৰণি দিব লাগে।
- ➲ প্ৰয়োজনবিশেষে ছাত্ৰ বা ছাত্ৰীগৰাকীক দিহা-পৰামৰ্শ দিব লাগে।
- ➲ যদিহে কোনো ছাত্ৰ-ছাত্ৰীক টেপ ৰেকৰ্ডাৰৰ সহায়ত উত্তৰ দিব পৰাৰ ব্যৱস্থা কৰা হয় তেন্তে তেনে শিশুৰ বাবে বহাৰ সুকীয়া ব্যৱস্থা কৰিব লাগে।
- ➲ এনে শিশুৰ ক্ষেত্ৰত চিত্ৰ/ ছবি আৰ্হি থকা প্ৰশ্নৰ সাল-সলনি কৰিব লাগে।
- ➲ ছাত্ৰ-ছাত্ৰীক তেওঁৰ প্ৰয়োজন হোৱা যিকোনো সহায়ক সামগ্ৰী ব্যৱহাৰ কৰিবলৈ অনুমতি দিব লাগে।

**শ্ৰৱণ বাধাগ্ৰস্ত (Hearing Impaired) ছাত্ৰ-ছাত্ৰীৰ বাবে -**

- ➲ ভাষা আহৰণৰ অসুবিধা থকা (Children with language acquisition problems) ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰশ্নকাকতৰ প্ৰশ্নসমূহ সহজ-সৰল আৰু মূলতঃ বস্তুনিষ্ঠ হ'ব লাগে।
- ➲ যিমান দূৰ সম্ভৱ য'তি, চিহ্ন, বানান আৰু ব্যাকৰণৰ ভুলৰ বাবে নম্বৰ কমকৈ দিব নালাগে।
- ➲ গণিতৰ সমস্যাসমূহৰ বাক্যৰ গাঁঠনি তথা শব্দসমূহ ছুটি আৰু সহজ-সৰল হ'ব লাগে।
- ➲ নিতান্তই প্ৰয়োজনবোধ কৰিলে অতিৰিক্ত সময় দিব লাগে। (প্ৰতি ঘণ্টাত ১৫ মিনিট অথবা শিক্ষকৰ সিদ্ধান্ত অনুযায়ী)
- ➲ প্ৰয়োজন সাপেক্ষে লিখিত উত্তৰৰ পৰিৱৰ্তে মৌখিকভাৱে মূল্যায়ন কৰিব লাগে।
- ➲ শিশুক ত্ৰি-ভাষা সূত্ৰৰ পৰা ৰেহাই দিব লাগে আৰু শিশুটিক পৰিৱেশ অনুযায়ী ভাষা শিকাব লাগে। প্ৰয়োজন সাপেক্ষে সাংকেতিক চিহ্ন (sign language)ব্যৱহাৰ কৰিব পাৰে।
- ➲ পৰীক্ষাৰ সময়ত দিয়া মৌখিক নিৰ্দেশনাসমূহ বোৰ্ডতো লিখি দিব লাগে।

**অঙ্গ সঞ্চালন (Locomotor Impairment) বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ বাবে -**

- মূল্যায়ন বা পৰীক্ষা অনুষ্ঠিত কৰা কোঠালিটোত অহা-যোৱা কৰাৰ সুচল ব্যৱস্থা থাকিব লাগে।
- হাতৰ সমস্যাৰ বাবে যদি শিশুটিৰ লিখাৰ ক্ষেত্ৰত অসুবিধা থাকে তেতিয়া শিশুটিৰ প্ৰয়োজনবোধে অতিৰিক্ত সময় দিব লাগে বা প্ৰশ্নৰ সংখ্যা কম কৰিব লাগে। লিখাত সহায়ক হিচাবে এজন (লিপিকাৰ)ক এই ক্ষেত্ৰত নিয়োগ কৰিব পাৰে।

**মগজুৰ পক্ষাঘাত (Cerebral Palsy) থকা শিশুৰ বাবে -**

- মূল্যায়ন বা পৰীক্ষা লোৱা ঠাইখিনি অহা-যোৱা কৰিবৰ বাবে সুবিধাজনক হ'ব লাগে।
- পৃথক কোঠালিৰ ব্যৱস্থা কৰিব লাগে।
- প্ৰয়োজন হ'লে এজন লিপিকাৰক নিয়োগ কৰিব লাগে।
- কাৰিকৰী কৌশল যেনেঃ কম্পিউটাৰ, বাক্য সংশ্লেষক (Voice synthesizers) আদি ব্যৱহাৰ কৰিব লাগে।
- প্ৰশ্নোত্তৰৰ বাবে Communication Board ব্যৱহাৰ কৰিব পাৰে।
- হাতৰ অসুবিধা থকা ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰশ্নৰ প্ৰকাৰ বেলেগ হ'ব লাগে। যেনে ঃ জ্যামিতিৰ প্ৰশ্ন বা ছবি অঁকাৰ পৰীক্ষা ল'ব নালাগে। শিক্ষক-শিক্ষয়িত্ৰীয়ে আৰু অভিভাৱকে এই ক্ষেত্ৰত নিজাববীয়া সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।
- যদি দৃষ্টি, শ্ৰৱণ আৰু বুদ্ধিদীপ্ততাৰ বাধাগ্ৰস্ততাত থকা ল'ৰা-ছোৱালী একেলগে থাকে তেতিয়া ওপৰত উল্লেখ কৰা প্ৰতিটো বাধাগ্ৰস্ততাৰ বিপৰীতে গ্ৰহণ কৰা বিশেষ মূল্যায়ন কৌশলসমূহ গ্ৰহণ কৰিব লাগে।
- বিশেষভাৱে নিৰ্মাণ কৰা চকী-মেজৰ জৰিয়তে বহাৰ ব্যৱস্থা কৰিব লাগে।
- প্ৰয়োজন সাপেক্ষে প্ৰশ্নসমূহৰ উত্তৰ লিখা বা কৰাৰ সময় বঢ়াব পাৰে। অৱসাদ দূৰ কৰাৰ বাবে এনে ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে কামৰ মাজে মাজে জিৰণি দিয়াৰ ব্যৱস্থা কৰিব লাগে।
- উপযোগী সজুঁলী যেনে-পেঞ্চিল গ্ৰিপচ্ Pencil grips, পিচলি নাযাবৰ বাবে ব্যৱহাৰ কৰা ব'ৰ্ড (Wedges)ৰ ব্যৱস্থা কৰিব লাগে।
- এনে শিশুক ব্যৱহাৰ কৰিবলৈ দিয়া উত্তৰ বহী/কাগজ যথেষ্ট ডাঠ হ'ব লাগে। যিহেতু মগজুৰ পক্ষাঘাত থকা (Cerebral Palsy) শিশুসকলে লিখাৰ সময়ত যথেষ্ট হেঁচি লিখে।

**মানসিকভাৱে বাধাগ্ৰস্ত শিশুৰ বাবে -** (Mental Retardation)

- প্ৰশ্নকাকতত ব্যৱহৃত ভাষা সহজ সৰল হ'ব লাগে।
- মানসিক বাধাগ্ৰস্ত শিশুৰ মূল্যায়নৰ বাবে প্ৰস্তুত কৰা প্ৰশ্নসমূহৰ জটিলতা শিশুৰ বোধগম্যতাৰ ওপৰত ভিত্তি কৰিহে নিৰ্ণয় কৰিব লাগে।
- যদিহে নিৰ্ধাৰিত সময়ৰ ভিতৰত এনে শিশুৱে প্ৰশ্নসমূহৰ উত্তৰ লিখিবলৈ সমৰ্থ নহয় তেনেহ'লে তেওঁলোকৰ প্ৰয়োজন অনুসৰি সময় সাল-সলনি কৰিব পাৰে। লগতে অৱসাদ দূৰ কৰাৰ বাবে জিৰণি দিয়াৰ ব্যৱস্থা কৰিব লাগে।
- মূল্যায়নৰ বাবে ব্যৱহাৰ কৰা প্ৰকৃত শিক্ষণ-শিকন সামগ্ৰীৰ ক্ষেত্ৰত শিথিলতা থাকিব লাগে। উদাহৰণস্বৰূপে-মূৰ্ত সামগ্ৰী (Concrete Material, Flash Card), দৰ্শন সামগ্ৰী (Visual aid) আৰু ছবিৰ সহায়েৰে ব্যাখ্যা দি ব্যৱহাৰ কৰিব পাৰি।
- যতিচিহ্ন, বানান, ব্যাকৰণৰ ভুলৰ ক্ষেত্ৰত শিথিল হ'ব লাগে। বৰং তেওঁলোকে কৰা ভুলখিনিৰ কথা উনুকিয়াই দিব লাগে।

- প্ৰয়োজন সাপেক্ষে এনে শিশুক কৰিবলৈ দিয়া প্ৰশ্নৰ পৰিসৰ আন শিশুতকৈ কম সংখ্যক হ'ব লাগে।
- প্ৰশ্নসমূহ বস্তুনিষ্ঠ/বহুতো প্ৰশ্নৰ মাজৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা (multiple choice), ছবিৰে (Pictorial) প্ৰশ্ন হ'ব লাগে।

**অ'টিজিম সম্পন্ন শিশু - (Autism Spectrum Disorders)**

- অ'টিজিম সম্পন্ন শিশুসকলৰ বাবে দিনটোত কৰা কাম-কাজসমূহ প্ৰণালীবদ্ধ হোৱা উচিত।
- এনে শিশুসকলৰ বাবে ছবিয়েই হৈছে প্ৰথম মাধ্যম। ইয়াৰ দ্বাৰা তেওঁলোকে মনৰ ভাৱ আদান-প্ৰদান কৰে। আনহাতে কথন হৈছে তেওঁলোকৰ ভাৱ আদান-প্ৰদানৰ দ্বিতীয় মাধ্যম।
- এনে শিশুৱে একেলেঠাৰীয়ে যিহেতু বেছি কথা মনত ৰাখিব নোৱাৰে সেইবাবে তেওঁলোকক দিয়া আদেশবিলাক চুটি চুটি হ'ব লাগে।
- তেওঁলোকক দীঘল উত্তৰ বা ৰচনাধৰ্মী প্ৰশ্নৰ উত্তৰ কৰিবলৈ দিব নালাগে।
- এনে শিশুক মূল্যায়ন কৰিবলৈ হ'লে তেওঁলোকৰ প্ৰতি এক ধাৰণা কৰি লৈ মূল্যায়নৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।
- এনে শিশুসকলৰ মূল্যায়নৰ বাবে (Concrete visual) মূৰ্ত্ত বস্তুৰ সহায়ত কৰিব লাগে।
- অ'টিজিম শিশুসকলৰ মাজৰ বহুতো শিশুৰ হাতৰ পেশীসমূহৰ নিয়ন্ত্ৰণৰ সমস্যা থাকে। এনে শিশুসকলৰ স্পষ্টভাৱে লিখাত কষ্ট হয়। সেইবাবে তেওঁলোক সময়ে সময়ে ক্ষুব্ধ হৈ পৰে। শিশুৰ এনে মনোভাৱ দূৰ কৰিবলৈ লিখাৰ আগ্ৰহ জন্মাব লাগে। তেওঁলোকক সময়ে সময়ে কম্পিউটাৰ ব্যৱহাৰ কৰিবলৈ দিব লাগে।
- এনে শিশুক ডাঙৰ শব্দৰ ধ্বনিৰ পৰা আঁতৰাই ৰাখিব লাগে। এনে ডাঙৰ শব্দই তেওঁলোকৰ কাণত আঘাত দিয়ে।
- উজ্জ্বল ৰঙৰ বাল্‌বৰ পোহৰে তেওঁলোকক আমনি কৰে। সেয়েহে, সমস্যাৰ সন্মুখীন নহবৰ বাবে এনে শিশুক খিড়িকীৰ ওচৰত বহুৱাব লাগে। এনে উজ্জ্বল পোহৰ থকা বাল্‌বৰ পৰা তেওঁলোকক সততে আঁতৰাই ৰাখিব লাগে।
- অ'টিজিম সম্পন্ন শিশুসকলৰ পৰা ভাল ফল পোৱা যাব, তেওঁলোকৰ দৃষ্টিশক্তিৰ বিকাশ হ'ব আৰু তেওঁলোকে কথা-বতৰা বেছিকৈ কব পৰা হ'ব- যদিহে শিক্ষকে এনে শিশুৱে কোনো কাম কৰি থাকোঁতে তেওঁ লোকৰ লগত ভাৱ বিনিময় কৰি থাকে।

**একাধিক অক্ষমতা থকা শিশুৰ বাবে - (Multiple Disabilities)**

- একাধিক বাধাগ্ৰস্ত শিশুক অতিৰিক্ত সময় দিব লাগে।
- এনে শিশুৰ বাবে বিশেষ আচবাবৰ ব্যৱস্থা কৰিব লাগে।
- পৰ্যাপ্ত ঠাইৰ ব্যৱস্থা কৰিব লাগে।
- শাৰীৰিক সুবিধা নিশ্চিতকৰণাৰ্থে এই শিশুসমূহক সহায় আগবঢ়াব লাগে।
- প্ৰস্ৰাৱগাৰৰ সুব্যৱস্থা নিশ্চিত কৰিব লাগে।
- প্ৰয়োজন সাপেক্ষে এজন লিপিকাৰকৰ ব্যৱস্থা কৰিব লাগে।
- একাধিক বাধাগ্ৰস্ত কোনো শিশুক যদিহে অতিৰিক্ত ইংগিতৰ প্ৰয়োজন হয়— সেইখিনি দিয়াৰ ব্যৱস্থা কৰিব লাগে।
- একাধিক বাধাগ্ৰস্ত শিশুক পৰীক্ষাৰ সময়ত প্ৰয়োজন সাপেক্ষে অতিৰিক্ত সুবিধাৰ ব্যৱস্থা কৰিব লাগে।